আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক


www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

WEDNESDAY, FEBRUARY 07, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৪১ Guwahati, Assam ।। মূল্যঃ এটকা

## তদন্তৰ অন্তত হত্যা-আত্মহত্যাৰ সম্ভাৱনাক নাকচ চিবিআইৰ

# দুৰ্ঘটনাতেই মৃত্যু হৈছিল জোনমণি ৰাভাৰ



ন্যায় যাত্ৰাত ঝাৰখণ্ড-ওড়িশাৰ সীমামূৰীয়া অঞ্চলৰ স্থানীয় বাসিন্দাৰ সৈতে ৰাহুল গান্ধী

**ই-সংবাদ, ৭ ফেব্ৰুৱাৰীঃ** জনজাতীয় যুৱতী অসম আৰক্ষীৰ উপ-পৰিদৰ্শক জোনমণি ৰাভাক হত্যা কৰা হৈছিল নে দুৰ্ঘটনাত পতিত হৈ মৃত্যুক আকোৱালি লৈছিল? এই কথা যেন ৰহস্যৰ গৰ্ভত সোমাই পৰিল। চিবিআয়ে তদন্ত কৰি জোনমণি ৰাভাৰ মৃত্যু পথ দুৰ্ঘটনাত হোৱা বুলি আজি আদালতত চাৰ্জশ্বিট দাখিল কৰে। অভিযোগ উত্থাপন হৈ অহাৰ দৰে এয়া হত্যাকাণ্ড নাছিল, পথ দুৰ্ঘটনা আছিল বুলি চাৰ্জশ্বিটত উল্লেখ কৰিছে চিবিআইৰ তদন্তকাৰী দলে। তদন্তৰ অন্ততো যেন জোনমণি ৰাভাৰ মৃত্যুৰ ৰহস্য ৰহস্য হৈয়ে থাকিল বুলি আক্ষেপ কৰিছে একাংশ লোকে।

সবিশেষ ২ নং পৃষ্ঠাত চাওক



## আকৌ উত্তপ্ত মণিপুৰ, দুটাকৈ স্থানত গুলীচালনা

**আজিও শান্তি** অহা নাই মণিপুৰলৈ। অস্ত্ৰধাৰীয়ে প্ৰতিনিয়ত হিংসা সংঘটিত কৰাৰ ফলত শান্তি বিঘ্নিত হৈ অহাৰ মাজতে বিগত ৩০ ঘণ্টাত অস্ত্ৰধাৰী দুৰ্বৃত্তই দুঠাইত গুলীচালনা কৰিছে পূব ইম্ফল জিলাত। আজি পুনৰ হিংসা সংঘটিত হৈছে মণিপুৰত।

সবিশেষ ৫ নং পৃষ্ঠাত চাওক



পাকিস্তানত বিস্ফোৰণত ২৫জনৰ মৃত্যু, বাতৰি শেষ পৃষ্ঠাত

## কংগ্ৰেছে এইবাৰ মাত্ৰ ৪০ খন আসন পাব বুলি দাবী নৰেন্দ্ৰ মোদীৰ

আকৌ প্ৰধানমন্ত্ৰীৰ মুখৰ কথাৰ প্ৰসংগ হৈ পৰিল স্বাধীনোত্তৰ কালৰ কংগ্ৰেছৰ চৰকাৰ। ৰাজ্যসভাত আজি কংগ্ৰেছৰ বিৰুদ্ধে সৰৱ হৈ পৰে নৰেন্দ্ৰ মোদী। এইবাৰ কংগ্ৰেছে ৪০খনতকৈ অধিক আসন লাভ কৰিব নোৱাৰে বুলি দাবী কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে।

সবিশেষ ভিতৰৰ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# দুৰ্ঘটনাতেই মৃত্যু

ৰহস্যজনক দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা জনজাতীয় যুৱতী জোনমণিৰ মাতৃগৰাকীয়ে ন্যায় লাভৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ উত্থাপন হৈছে৷ ইয়াৰ লগতে এই ৰহস্যজনক দুৰ্ঘটনাৰ ন্যায়িক তদন্তৰ দাবী উত্থাপন কৰিছে অসমৰ একাংশ লোকে৷ চিবিআইৰ চাৰ্জশ্বিটৰ মতে, হত্যা অথবা আত্মহত্যা নহয় বুলি চূড়ান্ত প্ৰতিবেদন দাখিল কৰা হয়৷ চিবিআইৰ প্ৰতিবেদন দাখিলৰ পাছতে জোনমণি ৰাভাৰ দুৰ্ভগীয়া মাতৃ সুমিত্ৰা ৰাভাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে৷ সুমিত্ৰা ৰাভাই কয় যে মোৰ আৰু ক'বলগীয়া একোৱেই নাই৷ যিমান ক'ব লগা আছিল সকলোৱে কৈছো। ছোৱালীৰ মৃতদেহ, গাড়ীৰ দুৰ্ঘটনাৰ অৱস্থিতি চাই গম পাইছিলো। আজি ছোৱালী জীয়াই থাকিলে ক'লে হৈ, মোৰ এক্সিডেণ্ট হৈছে, মা মোক ধৰি মাৰিছে৷ এতিয়া কোৱা-মাত দিয়া মানুহেই নাই। এতিয়া ৰাইজে বিচাৰ কৰক কি হৈছে এয়া৷ উল্লেখ্য যে, ৭ মাহজোৰা তদন্তৰ অন্তত আজি চিবিআয়ে আজি চূড়ান্ত প্ৰতিবেদন দাখিল কৰে। নগাঁও জিলাৰ জখলাবন্ধাৰ সৰুভগীয়াত ২০২৩ চনৰ ১৬ মে'ৰ নিশা প্ৰায় ২ বজাত পথ দুৰ্ঘটনাত মৃত্যু হৈছিল জোনমণি ৰাভাৰ৷ জোনমণি ৰাভাৰ মৃত্যু পাছতে ৰাজ্যজুৰি সৃষ্টি হৈছিল তীব্ৰ প্ৰতিক্ৰিয়াৰ। অসমৰ গৰিষ্ঠসংখ্যক লোকৰ লগতে দল-সংগঠন আৰু পৰিয়ালে জোনমণি ৰাভাক হত্যা কৰাৰ অভিযোগ উত্থাপন কৰিছিল৷ খোদ আৰক্ষীৰ উপ-পৰিদৰ্শক হোৱাৰ পাছতো নিশা কেনেদৰে আৰক্ষী থানাৰ পৰা অকলে গৈ দুৰ্ঘটনাত পতিত হৈ জোনমণি ৰাভাৰ প্ৰাণ গ'ল তাকে লৈ তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হয়৷ UP-78 UT 4518 নম্বৰৰ ট্ৰাকৰ খুন্দাত AS-01 EN 7273 নম্বৰৰ মাৰুটি এছপ্ৰেছো বাহনৰ ভিতৰতে মৃত্যু হয় অসম আৰক্ষীৰ উপ-পৰিদৰ্শক জোনমণি ৰাভাৰ। কৰ্তব্যৰত মৰিকলং থানাৰ আৱাসৰ পৰা নিজ বাহনেৰে উজনি অভিমুখে যাত্ৰা কৰিছিল। সেই সময়তে নিশা প্ৰায় ২ বজাত কলিয়াবৰৰ জখলবন্ধাত বিপৰীত দিশৰ পৰা অহা UP-78 UT 4518 নম্বৰৰ ট্ৰাকখনৰ সৈতে মুখামুখি সংঘৰ্ষত জোনমণি ৰাভাৰ মৃত্যু হয়। একাংশ সংবাদ মাধ্যমে মহিলা বিষয়াগৰাকীয়ে আত্মহত্যা কৰা বুলি বাতৰি প্ৰকাশ কৰিছিল। জোনমণি ৰাভাই হোৱাটছএপৰ ডিপি ক'লা কৰা আৰু মোবাইল ফ্লাইট মোডত ৰখাত আত্মহত্যা হ'ব পাৰে বুলি বাতৰি প্ৰকাশ কৰিছিল। কিন্তু অসমৰ লক্ষ লক্ষ নেটিজেনে এয়া পৰিকল্পিত হত্যাকাণ্ড বুলি দাবী কৰি ঘটনাৰ তদন্তৰ দাবী উত্থাপন কৰিছিল৷ জোনমণি ৰাভাৰ মাতৃ আৰু মাহীয়েকে এয়া হত্যাকাণ্ড বুলি দাবী কৰিছিল৷ নিশা আৱাসত আৰক্ষীয়ে তালাচী চলাই ১ লাখ টকা লৈ যোৱা বুলি সংবাদ মাধ্যমৰ আগত মন্তব্য কৰিছিল জোনমণি ৰাভাৰ মাতৃ আৰু মাহীয়েকে। জোনমণিক নগাঁও আৰক্ষীয়ে গ্ৰেপ্তাৰৰ প্ৰয়াস কৰি বুলিও অভিযোগ কৰিছিল পৰিয়ালে৷ ইপিনে এখন এজাহাৰত জোনমণিয়ে এজন লোকৰ পৰা প্ৰায় ৮০ হাজাৰ টকা লোৱাৰ লগতে লোকজনক এনকাউণ্টাৰৰ ভাবুকি দিয়াৰ অভিযোগ উত্থাপন হৈছিল৷ উত্তৰ লখিমপুৰ থানাৰ অন্তৰ্গত আমিনা খাতুন নামৰ মহিলাই এজাহাৰ দাখিল কৰিছিল৷ এজাহাৰ মতে, ৬ মে'ৰ নিশা প্ৰায় ২ বজাত নগাঁৱৰ এছ.আই জোনমণি ৰাভাই কেইজনমান লোকৰ সৈতে আমিনা খাতুনৰ ঘৰলৈ গৈছিল। কোনো কাৰণ নোহোৱাকৈ পুত্ৰ আজগৰ আলিক প্ৰহাৰ কৰাৰ লগতে নগদ ৮০ হাজাৰ টকা, ভোটাৰ আইডি, পান কাৰ্ড আৰু আজগৰৰ পত্নীৰ সোণৰ অলংকাৰো কাঢ়ি অনাৰ অভিড়োগ আনে৷ আজগৰৰ ভাতৃ আবু তালেবৰ ব্ৰীজা গাড়ীখনো জোনমণি ৰাভাই লৈ অহা বুলি এজাহাৰত উল্লেখ কৰে। ৭ মে'ৰ পুৱা জোনমণি ৰাভাই আমিনা খাতুনক ৬ লাখ টকাসহ গহপুৰৰ অৰুণাচল বাইপাছলৈ মাতি পঠিয়াই। ৬ লাখ টকা আদায় দিয়াৰ পাছত ব্ৰীজা গাড়ী আৰু আজগৰ আলীক মোকলাই দিয়ে৷ এই ৬ লাখ টকাৰ প্ৰায় ৮০ হাজাৰ টকা ৰিয়াজুল নামৰ লোকজনৰ ইউপিআই আইডিযোগে আদায় দিয়াৰ কথাও এজাহাৰত উল্লেখ আছে৷ এজাহাৰত জোনমণিয়ে ধন আদায় লোৱাৰ পিছতে এই কথা আন কাৰোবাক জনালে ভৰিত গুলী কৰি আজগৰক জে'ললৈ প্ৰেৰণ কৰাৰ ভাবুকি দিছিল। সমগ্ৰ ঘটনাত নগাঁৱৰ তদানীন্তন আৰক্ষী অধীক্ষক লীনা দলে আৰু অতিৰিক্ত আৰক্ষী অধীক্ষক ৰুণা নেওগ, নগাঁও সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া, নাওবৈচা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ নাম সাঙোৰ খাইছিল৷ চিবিআয়ে দুই এজন বিষয়াক জেৰাও কৰিছিল৷ গুৱাহাটীৰ কাহিলিপাৰাস্থিত জোনমণি ৰাভাৰ বাসগৃহত উপস্থিত হৈ নাওবৈচাৰ হাছিনা বেগম নামৰ মহিলাই এজাহাৰখন ভুৱা বুলি দাবী কৰিছিল৷ হাছিনা বেগম নাওবৈচা থানাৰ আইচি সঞ্জীৱ বৰা আৰু এছপি ৰুণা নেওগ জোনমণিৰ হত্যাত জড়িত থকাৰ অভিযোগ উত্থাপন কৰিছিল। এজাহাৰখন সম্পূৰ্ণৰূপে ভুৱা আৰু জোনমণি ৰাভাক ফচোৱাৰ লগতে নকল সোণ ব্যৱসায়ী আজগৰ আলীক গ্ৰেপ্তাৰ কৰাত নাওবৈচাৰ আইচিয়ে আজগৰৰ মাতৃৰ জৰিয়তে মিছাকৈ এজাহাৰ লিখোৱাই লৈছিল বুলি দাবী কৰিছিল। কিন্তু আৰক্ষী আৰু চৰকাৰৰ কোনো লোকে এই সন্দৰ্ভত মন্তব্য দিয়াৰ পৰা বিৰত আছিল৷ আনকি জোনমণি ৰাভাৰ মৃতদেহ গুৱাহাটীৰ কাহিলীপাৰাৰ ঘৰলৈ আনি সৎকাৰ কৰাৰ সময়ত আৰু আজিলৈ ৰাজ্য চৰকাৰৰ কোনো প্ৰতিনিধি আৰু অসম আৰক্ষীৰ কোনো উচ্চপদস্থ বিষয়া জোনমণি ৰাভাৰ ঘৰলৈ নগ'ল৷ সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে এই সম্পৰ্কে ভালদৰে অৱগত নহয়। এইবিলাক এছপি, ডিচিয়ে জানিব। মোৰ লগত ইমান খবৰ নাই। মই ইমান খবৰ লোৱা নাই। খালী শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ মই সমবেদনা জনাইছো বুলি কৈছিল৷ কিন্তু অসমৰ সৰ্বপ্ৰকাৰৰ লোকে জনমত গঠন কৰাত চিআইডিৰ পৰা গোচৰ চিবিআইক দিবলৈ বাধ্য হৈছিল৷

# বাঢ়িয়েই আছে দিল্লীৰ মুখ্যমন্ত্ৰীৰ বিপদ!

## ইডিৰ পিছত এইবাৰ আদালতৰ চমন

**নতুন দিল্লী, ৭ ফেব্ৰুৱাৰীঃ** বিপদ বাঢ়িব পাৰে দিল্লীৰ মুখ্যমন্ত্ৰী তথা আম আদমী পাৰ্টীৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱালৰ। ইডিৰ চমন বাৰে বাৰে খাৰিজ কৰাৰ পিছতে এইবাৰ মুখ্যমন্ত্ৰী কেজৰিৱাললৈ চমন জাৰি কৰিছে আদালতে। উল্লেখ্য যে, দিল্লীৰ আবকাৰী নীতি কেলেংকাৰীত ইডিয়ে ৫খনকৈ চমন জাৰি কৰিছিল অৰবিন্দ কেজৰিৱালক। কিন্তু দিল্লীৰ মুখ্যমন্ত্ৰীগৰাকীয়ে বাৰে বাৰে এই চমন অবৈধ বুলি দাবী কৰি ইডিৰ কাৰ্যালয়ত হাজিৰ হোৱাৰ পৰা আঁতৰি ফুৰে। ইয়াৰ পিছতে আদালতৰ কাষ চাপে তদন্তকাৰী সংস্থাটোৱে। ইডিৰ আবেদনৰ বুধবাৰে শুনানি গ্ৰহণ কৰি কেজৰিৱালক জাননী জাৰি কৰিছে ৰাউছ এভিনিউ আদালতে। ইফালে আদালতৰ এই চমনৰ পিছতে এক বিবৃতি জাৰি কৰি আদালতৰ চমনক লৈ চিন্তা-চৰ্চা কৰি থকা বুলি প্ৰকাশ কৰে আম আদমী পাৰ্টীয়ে। দিল্লীৰ শাসকীয় দলটোৱে কয় যে এই বিষয়ে আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব। আনহাতে ইডিৰ চমন যে অবৈধ আছিল, সেই কথাও আদালতত উল্লেখ কৰা হ'ব বুলি প্ৰকাশ কৰে আম আদমী পাৰ্টীয়ে। প্ৰণিধানযোগ্য যে, দিল্লীৰ আবকাৰী নীতি কেলেংকাৰীত ইতিমধ্যে ১৪ জন লোকক গ্ৰেপ্তাৰ কৰিছে ইডিয়ে, যাৰ ভিতৰত আছে প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী মনীষ ছিচ'দিয়া, সাংসদ সঞ্জয় সিং আৰু বিজয় নায়াৰৰ দৰে লোকো। একেটা গোচৰতে যোৱা বছৰৰ ২ নৱেম্বৰত মুখ্যমন্ত্ৰী কেজৰিৱাললৈ প্ৰথমখন চমন জাৰি কৰিছিল ইডিয়ে। কিন্তু কেজৰিৱালে সেই চমন উপেক্ষা কৰাত একাদিক্ৰমে সেইবছৰৰ ২১ ডিচেম্বৰ, ২০২৪ৰ ৩ জানুৱাৰী, ১৮ জানুৱাৰী আৰু শেহতীয়াকৈ ২ ফেব্ৰুৱাৰীত কেজৰিৱাললৈ চমন জাৰি কৰে তদন্তকাৰী সংস্থাটোৱে। কিন্তু প্ৰতিবাৰেই কেজৰিৱালে ইডিৰ চমন উপেক্ষা কৰাত ৰাউচ এভিনিউ আদালতত এক আবেদন দাখিল কৰে ইডিয়ে। তদন্তকাৰী সংস্থাটোৱে আদালতত দাখিল কৰা অভিযোগৰ কপিত কয় যে কেজৰিৱালে ইচ্ছাকৃতভাৱে চমনৰ পৰা আঁতৰি আছে। আনহাতে এগৰাকী উচ্চ পদবীস্থ নেতাই এনেদৰে চমনৰ সঁহাৰি নিদিলে আৰু আইন মানি নচলিলে এনে কাৰ্যই ভুল বাৰ্তা প্ৰেৰণ কৰে বুলিও অভিযোগত উল্লেখ কৰে তদন্তকাৰী সংস্থাটোৱে। উল্লেখ্য যে, অভিযোগ অনুসৰি দিল্লী চৰকাৰৰ ২০২১-২২ চনৰ আবকাৰী নীতিত সুৰা ব্যৱসায়ীক অনুজ্ঞাপত্ৰ দিয়াৰ বাবে উৎকোচৰ বিনিময়ত একাংশ ব্যৱসায়ীক সুবিধা দিয়াৰ অভিযোগ উত্থাপন হৈছিল। ইতিমধ্যে প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী, সাংসদকে ধৰি ১৪ জন ব্যক্তিক গ্ৰেপ্তাৰ কৰিছে ইডিয়ে।

# উজানবজাৰত অংগনবাড়ী কৰ্মী-সহায়িকাৰ উত্তাল প্ৰতিবাদ

**ই-সংবাদ, ৭ ফেব্ৰুৱাৰীঃ** আজি মহানগৰীৰ উজানবজাৰস্থিত ৰাজ্যিক বাল ভৱনত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা কেইবা শতাধিক অংগনবাড়ী কৰ্মী-সহায়িকাই উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে৷ কেইবাটাও দাবীৰ সমৰ্থনত মহিলাসকলে চৰকাৰ বিৰোধী বিভিন্ন শ্ল'গান দি পৰিৱেশ উত্তাল কৰি তোলে৷ বিজেপি দলে বাৰে বাৰে নিৰ্বাচনৰ পূৰ্বে দিয়া প্ৰতিশ্ৰুতি পূৰণ নকৰাৰ অভিযোগ আনে অংগনবাড়ী কৰ্মী-সহায়িকাই৷ প্ৰাপ্য সময় মতে আদায় নিদিয়াৰো অভিযোগ আনে৷ নিয়মীয়া কৰ্মচাৰী হিচাপে স্বীকৃতি দিয়া, কৰ্মী-সহায়িকাক কমেও ২০ হাজাৰ টকা মাননি দিয়া, গ্ৰেচুইটি আদায় দিয়া, অৱসৰপ্ৰাপ্ত কৰ্মী-সহায়িকা আৰু মিনি কৰ্মীক এককালীন সাহায্যৰ ধন আদায় দিয়াৰ দাবী উত্থাপন কৰে মহিলাসকলে৷ নিৰ্বাচনৰ পূৰ্বে প্ৰতিশ্ৰুতি পূৰণ নকৰিলে পুনৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ হুংকাৰ দিয়ে অংগনবাড়ী কৰ্মী-সহায়িকাই৷ ইপিনে প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত থাকে কংগ্ৰেছ নেত্ৰী মীৰা বৰঠাকুৰ৷ চৰকাৰক দাবীসমূহ পূৰণ কৰিবলৈ দাবী জনাই বৰঠাকুৰে কয় যে চৌদিশে কেৱল মহিলাক প্ৰতাৰণা কৰিছে। কেৱল ধাৰ কৰি হেলিকপ্তাৰ চলাইছে আৰু বিজ্ঞাপনৰ নামত ডাঙৰ ডাঙৰ পোষ্টাৰ লগাইছে। বাকী আৰু ফাঁকিৰে চলিছে চৰকাৰ৷

# নিজেই জন্ম দিয়া দলৰ নাম সলাবলৈ বাধ্য হ'ল শৰদ পাৱাৰ

**ই-সংবাদ, ৭ ফেব্ৰুৱাৰীঃ** অৱশেষত নিজে প্ৰতিষ্ঠা কৰা দলৰ নাম সলনি কৰিবলৈ বাধ্য হ'ল শৰদ পাৱাৰ। নিৰ্বাচন আয়োগৰ দৃষ্টিত ভতিজাক অজিত পাৱাৰৰ হাতত পৰাজিত হৈ নিজ দলৰ নাম সলনি কৰিবলগীয়া হ'ল শৰদ পাৱাৰে। এতিয়া শৰদ পাৱাৰৰ ৰাষ্ট্ৰীয়তাবাদী কংগ্ৰেছ পাৰ্টীৰ নতুন নাম হ'ব ৰাষ্ট্ৰীয়তাবাদী কংগ্ৰেছ পাৰ্টি (এনচিপি) শৰদ চন্দ্ৰ পাৱাৰ। নিৰ্বাচন আয়োগে মহাৰাষ্ট্ৰ চৰকাৰৰ উপ-মুখ্যমন্ত্ৰী অজিত পাৱাৰ আৰু তেওঁৰ সমৰ্থিত বিধায়কসকলৰ ফৈদক প্ৰকৃত ৰাষ্ট্ৰীয়তাবাদী কংগ্ৰেছ পাৰ্টী (এনচিপি) বুলি ঘোষণা কৰিছিল মঙলবাৰে নিশা। তাৰ পিছতে আয়োগে শৰদ পাৱাৰ ফৈদক দলৰ নতুন নাম বাছনিৰ বাবে তিনিটা নাম প্ৰেৰণ কৰিবলৈ বুধবাৰে বিয়লি বজালৈকে সময় বান্ধি দিছিল। সেই অনুসৰি বুধবাৰে শৰদ পাৱাৰ ফৈদে দলৰ নতুন নামৰ বাবে ৰাষ্ট্ৰীয়তাবাদী কংগ্ৰেছপাৰ্টী এছ, ৰাষ্ট্ৰীয়তাবাদী কংগ্ৰেছ পাৰ্টী শৰদ পাৱাৰ আৰু জাতীয়তাবাদী কংগ্ৰেছ পাৰ্টী শৰদ চন্দ্ৰ পাৱাৰ নাম তিনিটা প্ৰেৰণ কৰে নিৰ্বাচন আয়োগক আৰু ইয়াৰ ভিতৰত তৃতীয়টো নাম বাছনি কৰি আৱণ্টন দিয়ে আয়োগে। অৱশ্যে এতিয়াও শৰদ পাৱাৰ ফৈদক আৱণ্টন দিয়া হোৱা নাই নিৰ্বাচনী প্ৰতীক চিহ্ন। চৰ্চা অনুসৰি, শৰদ পাৱাৰৰ দলক 'বনৰীয়া গছ' বা 'উদিত সূৰ্য' নিৰ্বাচনী প্ৰতীক চিহ্ন হিচাপে আৱণ্টন দিব পাৰে নিৰ্বাচন আয়োগে। উল্লেখ্য যে, যোৱা বছৰৰ ২ জুলাইত শৰদ পাৱাৰৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰি ৮ বিধায়কৰ সমৰ্থনসহ বিজেপিৰ সৈতে হাত মিলাইছিল অজিত পাৱাৰে। ইয়াৰ পিছতে তেওঁক মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব দিয়া হৈছিল। ইফালে ক্ষমতাসীন হোৱাৰ পিছতে অজিত পাৱাৰে ৪০ গৰাকী বিধায়কৰ সমৰ্থন থকা বুলি দাবী কৰি এন চি পিৰ নাম আৰু প্ৰতীক চিহ্নৰ ওপৰত অধিকাৰ বিচাৰি কাষ চাপিছিল নিৰ্বাচন আয়োগৰ। পৰৱৰ্তী সময়ত নিৰ্বাচন আয়োগে ৬ মাহৰো অধিক সময়ত ১০টাৰো অধিক শুনানি গ্ৰহণ কৰি অৱশেষত মঙলবাৰে নিশা অজিত পাৱাৰৰ ফৈদক প্ৰকৃত এন চি পি বুলি ঘোষণা কৰে। ইফালে নিৰ্বাচন আয়োগৰ এই সিদ্ধান্তৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়লৈ যোৱাৰ ইংগিত প্ৰদান কৰিছে শৰদ পাৱাৰে। কিন্তু তাৰ পূৰ্বেই আদালতত সতৰ্কবাণী দাখিল কৰিছে অজিত পাৱাৰে। প্ৰণিধানযোগ্য যে, ছোনীয়া গান্ধীয়ে কংগ্ৰেছৰ নেতৃত্ব প্ৰদানক লৈ বিদ্ৰোহ কৰাৰ বাবে ১৯৯৯ চনৰ ২০ মে'ত কংগ্ৰেছৰ পৰা বহিস্কাৰ হোৱাৰ পিছত একে বছৰৰে ১০ জুনত এনচিপিৰ জন্ম দিছিল শৰদ পাৱাৰ, পি এ চাংমা আৰু তাৰিক আহমেদে।




চাকৰি নিয়মীয়া কৰাৰ দাবীত উজানবজাৰস্থিত বাল ভৱনত অংগনবাড়ী কৰ্মী-সহায়িকাৰ উত্তাল প্ৰতিবাদ

# ২৪ ঘণ্টাৰ ভিতৰত দুঠাইত গুলীচালনা, এতিয়াও অশান্ত মণিপুৰ

**ইম্ফল, ৭ ফেব্ৰুৱাৰীঃ** আজিও শান্তি অহা নাই মণিপুৰলৈ। অস্ত্ৰধাৰীয়ে প্ৰতিনিয়ত হিংসা সংঘটিত কৰাৰ ফলত শান্তি বিঘ্নিত হৈ অহাৰ মাজতে বিগত ৩০ ঘণ্টাত অস্ত্ৰধাৰী দুৰ্বৃত্তই দুঠাইত গুলীচালনা কৰিছে পূব ইম্ফল জিলাত। আজি পুৱা পুনৰ হিংসা সংঘটিত হৈছে মণিপুৰত। আজি পুৱতি নিশা ইম্ফল পূব জিলাৰ ইথাম মইৰাং পুৰেলত সশস্ত্ৰ দুৰ্বৃত্তই গুলীচালনা সংঘটিত কৰে। ৰাজধানী চহৰৰ সমীপতে নতুনকৈ হিংসা সংঘটিত হোৱাত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। ইম্ফল পূব জিলাৰ মোলহাম কুকি গাঁৱৰ নংদাম টাংখুল আৰু তুমুখং মৈটেই গাঁৱৰ বালি খনন ক্ষেত্ৰলৈ পাহাৰৰ পৰা সশস্ত্ৰ দুৰ্বৃত্ত নামি আহে। সশস্ত্ৰ দলটোৱে খননজড়িত লোকক লক্ষ্য কৰি নিৰ্বিচাৰভাৱে গুলী চালনা কৰে। নিৰীহ খনন কৰ্মীসকল আক্ৰমণৰ পৰা কথমপি ৰক্ষা পৰে। জানিব পৰা মতে, ৬ ফেব্ৰুৱাৰীত ইম্ফল পূব জিলাৰ তুমুখঙত অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত দুৰ্বৃত্তই আক্ৰমণ চলাইছিল। তাৰ এদিন পাছতে আজি পুৱা তুমুখঙৰ নিকটৱৰ্তী ইথাম মইৰাং পুৰেলত অস্ত্ৰধাৰী দলে গুলীচালনা কৰে। পুৱাৰ ভাগত অস্ত্ৰধাৰী দুৰ্বৃত্তই গাঁৱৰ স্বেচ্ছাসেৱক আৰু নিৰাপত্তা বাহিনীক লক্ষ্য কৰি লয়। নিৰাপত্তা বাহিনীয়ে উচিত প্ৰত্যুত্তৰ দিয়াত দুৰ্বৃত্তই পলায়ন কৰে। কোনো লোক হতাহত হোৱা নাই বুলি জানিব গৈছে।

# মৃত্যুৰ ফান্দত পৰিণত ১৫নং ৰাষ্ট্ৰীয় ঘাইপথ, দুটাকৈ পথ দুৰ্ঘটনা

**ই-সংবাদ, মঙলদৈ, ৭ ডিচেম্বৰঃ** নিতৌ পথ দুৰ্ঘটনা সংঘটিত হৈ অহা দৰং জিলাৰ মঙলদৈ চহৰেৰে পাৰ হৈ যোৱা ১৫নং ৰাষ্ট্ৰীয় ঘাইপথ মৃত্যুৰ ফান্দত পৰিণত হৈছে। নিতৌ সংঘটিত পথ দুৰ্ঘটনাৰ ফলত মানুহৰ প্ৰাণ যোৱাৰ লগতে বহু লোক ঘূণীয়া হৈছে। কিন্তু পথ দুৰ্ঘটনা ৰোধৰ বাবে দৰং জিলা প্ৰশাসনে ব্যৱস্থা গ্ৰহণ কৰা নাই। ইয়াৰ মাজতে পুনৰ ইটাভৰ্তি ট্ৰাক দুৰ্ঘটনাগ্ৰস্ত হৈছে মঙলদৈত। মঙলদৈৰ মেনাপাৰাত বাহগৰাৰ পৰা ইটা কঢ়িয়াই অনা AS-01-EC-7818 নম্বৰৰ ট্ৰাকখন বাগৰি পৰে। ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে গৈ থকা অৱস্থাত নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিৰ দ-খাৰৈত বাগৰি পৰে। ট্ৰাকচালক আৰু দুই শ্ৰমিকক সংকটজনক অৱস্থাত উদ্ধাৰ কৰি মঙলদৈ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। জানিব পৰা মতে, ট্ৰাকখনে অতিৰিক্ত বোজা কঢ়িয়াই আনিছিল। ফলত ট্ৰাকখন দুৰ্ঘটনাগ্ৰস্ত হোৱাৰ সন্দেহ কৰিছে স্থানীয় ৰাইজে। আনহাতে, বুধবাৰে পুৱা ৭ বজাত মঙলদৈ ভেবাৰঘাটত ৰাষ্ট্ৰীয় ঘাইপথত অনচিনাকী বাহনৰ খুন্দাত এগৰাকী বাইক আৰোহী আহত হৈছিল। এনেদৰে প্ৰায়ে ১৫নং ৰাষ্ট্ৰীয় ঘাইপথত দুৰ্ঘটনা সংঘটিত হৈ আহিছে।

## ২ হাজাৰ টকা ঘোচ লোৱা মণ্ডলক গ্ৰেপ্তাৰ

**ই-সংবাদ, ৭ ফেব্ৰুৱাৰীঃ** খকুৱা আৰু লুভীয়া চৰকাৰী কৰ্মচাৰীৰ টকাৰ খক আজিলৈ নকমিল। প্ৰায়ে ঘোচ লৈ চৰকাৰী কৰ্মচাৰী ধৰা পৰি আহিছে যদিও নিৰ্লজ্জ একাংশ কৰ্মচাৰীয়ে ঘোচ খাবলৈ নেৰে। আজি পুনৰ তেনে এজন কৰ্মচাৰী দুৰ্নীতি নিবাৰক শাখাৰ জালত পৰিছে। বিশ্বনাথ জিলাৰ নডুৱাৰ ৰাজহ চক্ৰৰ লাট মণ্ডল আৰাফাদ আলম বৰাক ২ হাজাৰ টকা ঘোচ লোৱাৰ সময়তে দুৰ্নীতি নিবাৰক শাখাই গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। অভিযোগকাৰীৰ পৰা ভূমিৰ নাম সংশোধন আৰু ভূমি ৰেকৰ্ডত নাম তুলিবলৈ ৫ হাজাৰ টকা দাবী কৰিছিল। আজি ২ হাজাৰ টকা আদায় দিবলৈ কৈছিল মণ্ডল আৰাফাদ আলম বৰাই। উৎকোচৰ ২ হাজাৰ টকা টকা লোৱাৰ সময়তে আৰাফাদ আলম বৰাক কাৰ্যালয়তে হাতে-লোটে ধৰে দুৰ্নীতি নিবাৰক শাখাই।



গোগামুখত দক্ষতা প্ৰশিক্ষণ কেন্দ্ৰ উদ্বোধন মুখ্যমন্ত্ৰীৰ

# ৰাজ্যসভাত মোদীয়ে আকৌ ল'লে নেহৰুৰ নাম

**নতুন দিল্লী, ৭ ফেব্ৰুৱাৰীঃ** আকৌ প্ৰধানমন্ত্ৰীৰ মুখৰ কথাৰ প্ৰসংগ হৈ পৰিল স্বাধীনোত্তৰ কালৰ কংগ্ৰেছৰ চৰকাৰ। ৰাজ্যসভাত আজি ৰাষ্ট্ৰপতিৰ অভিভাষণৰ ধন্যবাদ প্ৰস্তাৱৰ উত্তৰ দি বিৰোধী কংগ্ৰেছৰ বিৰুদ্ধে সৰৱ হৈ পৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। আগন্তুক লোকসভা নিৰ্বাচনত কংগ্ৰেছে ৪০খনতকৈ অধিক আসন লাভ কৰিব নোৱাৰে বুলি দাবী কৰে মোদীয়ে। কংগ্ৰেছে সদায় দেশক বিভক্ত কৰিবলৈ কাম কৰি আহিছে বুলি আক্ৰমণ কৰি প্ৰধামন্ত্ৰী মোদীয়ে কয় যে কংগ্ৰেছে সংৰক্ষণৰ কথা কয়, কিন্তু আৰম্ভণিৰে পৰাই সংৰক্ষণৰ বিৰোধিতা কৰি আহিছে। প্ৰধামন্ত্ৰীৰ ভাষণৰ মাজতে পুনৰ এবাৰ শুনা গ'ল প্ৰাক্তন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুৰ নামো।কংগ্ৰেছক লক্ষ্য কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, "যোৱা বছৰৰ ঘটনাটো মোৰ বৰ ভালকৈ মনত আছে। আগতে সেই ঘৰত বহিছিল। দেশৰ প্ৰধানমন্ত্ৰীৰ কণ্ঠ ৰুদ্ধ কৰিবলৈ সকলো প্ৰচেষ্টা চলোৱা হৈছিল। আমি আপোনাৰ প্ৰতিটো কথা অতি ধৈৰ্য্য আৰু বিনম্ৰতাৰে শুনি থাকিলোঁ। আপুনি গোটেই দুই চতুৰ্থাংশ ঘন্টা কিমান অপৰাধ কৰিলেও মই মোৰ কথাৰ সীমা পাৰ কৰা নাছিলো। আজি আপুনি নুশুনো বুলি সাজু হৈ আহিছে, কিন্তু মোৰ কণ্ঠ দমন কৰিব নোৱাৰিব। আজি মই সম্পূৰ্ণ প্ৰস্তুত হৈ আহিছো।" মোদীয়ে কয় যে পশ্চিম বংগৰ পৰা কংগ্ৰেছে যি প্ৰত্যাহ্বান লাভ কৰিছে, তাৰ পৰা লোকসভা নিৰ্বাচনত কংগ্ৰেছে ৪০ খনৰ দেওনাও পাৰ কৰিব নোৱাৰিব। তেওঁ কয়, 'মই প্ৰাৰ্থনা কৰিছো আপোনালোকে ৪০ খন আসন পাওক। অৱশ্যে মোৰ বিশ্বাস নিশ্চিত যে এই দলটোৰ চিন্তাধাৰা পুৰণি হৈ গৈছে, সেইবাবেই তেওঁলোকে নিজৰ কামো আউটচ'ৰ্চ কৰিছে। আপোনালোকলৈ মই সমবেদনা জনাইছো।' প্ৰধানমন্ত্ৰী মোদীৰ আজিৰ ৰাজ্যসভাৰ ভাষণৰ প্ৰতিটো কথাই আছিল কংগ্ৰেছক উদ্দেশ্যি। কংগ্ৰেছ চৰকাৰৰ ক্ৰুটি দেখুৱাই নিজৰ চৰকাৰখনক শ্ৰেষ্ঠ প্ৰতিপন্ন কৰিব বিচৰা প্ৰধানমন্ত্ৰীৰ ভাষণত স্পষ্ট হৈ পৰিছিল। আগলৈ তেওঁ কয় যে যি কংগ্ৰেছে ক্ষমতাৰ লোভত গণতন্ত্ৰক মুকলিকৈ ডিঙি চেপি হত্যা কৰিছিল, নিৰ্বাচিত চৰকাৰক নিশাটোৰ ভিতৰতে বৰ্খাস্ত কৰিছিল, গণতন্ত্ৰৰ মৰ্যাদা জেলৰ আঁৰত, বাতৰি কাকতত আবদ্ধ কৰি ৰাখিছিল, ইমাৰজেন্সি জাপি দিবলৈ চেষ্টা কৰিছিল, ভাঙিবলৈ চেষ্টা কৰিছিল, সেই কংগ্ৰেছেই আজিও জাতি আৰু ভাষাৰ নামত দেশখনক উত্তৰ, দক্ষিণত বিভক্ত কৰিব বিচাৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে আৰু কয় যে কংগ্ৰেছেই নক্সালবাদক প্ৰত্যাহ্বান হিচাপে এৰি গৈছিল, দেশৰ এখন বিশাল ভূমি শত্ৰুৰ হাতত গতাই দিছিল। তেওঁ কয় যে দেশৰ সেনাবাহিনীৰ আধুনিকীকৰণ বন্ধ কৰি পেলোৱা কংগ্ৰেছেই এতিয়া আমাক ৰাষ্ট্ৰীয় আৰু আভ্যন্তৰীণ নিৰাপত্তাৰ বিষয়ে ভাষণ দি আছে। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে কংগ্ৰেছে অবিচিক সংৰক্ষণ নিদিলে, সাধাৰণ শ্ৰেণীৰ দুখীয়াক কেতিয়াও সংৰক্ষণ নিদিলে, যি কংগ্ৰেছে বাবা চাহেবক ভাৰত ৰত্ন দিয়াৰ পৰিৱৰ্তে নিজৰ পৰিয়ালক ভাৰত ৰত্ন দি থাকিল, তেওঁলোকে আমাক পাঠ শিকাইছে সামাজিক ন্যায়ৰ। কোনো নিশ্চয়তা নথকা, নীতিৰ কোনো নিশ্চয়তা নথকা কংগ্ৰেছে আজি মোদী চৰকাৰৰ নিশ্চয়তাক লৈ প্ৰশ্ন উত্থাপন কৰিছে। মোদীয়ে প্ৰশ্ন কৰে, "কোন কোন বৃটিছৰ প্ৰভাৱত পৰিছে? মই সোধা নাই কংগ্ৰেছক কোনে জন্ম দিলে। স্বাধীনতাৰ পাছতো দেশত দাসত্বৰ মানসিকতাক কোনে প্ৰসাৰিত কৰিছিল? যদি আপুনি ইংৰাজৰ দ্বাৰা প্ৰভাৱিত হোৱা নাছিল, তেন্তে ইংৰাজে বনোৱা দণ্ডবিধিৰ পৰিৱৰ্তন কিয় নহ'ল? ইংৰাজ যুগৰ শ শ আইন কিয় চলি থাকিল? ৰেড লাইট সংস্কৃতি কিয় চলাই থাকিল?" কংগ্ৰেছক বৃটিছ শাসনৰ প্ৰতিনিধি বুলি ৰাজ্যসভাৰ মজিয়াত দাবী কৰি মোদীয়ে লগতে কয় যে যদি আপুনি ব্ৰিটিছৰ দ্বাৰা প্ৰভাৱিত হোৱা নাছিল তেন্তে ৫ বজাত বাজেট কিয় আহিল? ব্ৰিটিছ সংসদ অনুসৰি বাজেট প্ৰস্তুত কৰাৰ পৰম্পৰা বছৰ বছৰ ধৰি কিয় চলি থাকিল? আমাৰ সেনাৰ চিহ্নত কিয় দাসত্বৰ প্ৰতীক আছে? অৱশ্যে আমি সেইবোৰ এটা এটাকৈ আঁতৰাই আছো। কিয় ৰাজপথে মোদীক কৰ্তব্য পথত পৰিণত হোৱালৈ অপেক্ষা কৰিবলগীয়া হ'ল? অন্দামান আৰু নিকোবৰত কিয় ওলমি আছে ব্ৰিটিছ শাসনৰ চিন? কিয় দেশৰ জোৱানৰ সন্মানত যুদ্ধ স্মৃতিসৌধ নিৰ্মাণ কৰা নহ'ল? ভাৰতীয় ভাষাবোৰক কিয় হীনমন্যতাৰে চালে? স্থানীয় ভাষাত পঢ়া-শুনাৰ প্ৰতি আপুনি কিয় নিৰুৎসাহিত আছিল?' প্ৰধানমন্ত্ৰী মোদীয়ে আৰু কয় যে কংগ্ৰেছে আখ্যান বিয়পাইছিল, ভাৰতীয় মূল্যবোধ অনুসৰণ কৰাসকলক ৰক্ষণশীল বুলি কোৱা হৈছিল। আমাৰ ভাল পৰম্পৰাৰ অপব্যৱহাৰ কেনেকৈ প্ৰগতিশীল হ'ব পাৰে? ভাৰতত নিৰ্মিত বস্তুবোৰক দ্বিতীয় শ্ৰেণী হিচাপে গণ্য কৰা হৈছিল, আনহাতে বহিঃৰাজ্যৰ পৰা আমদানি কৰা বা অনা বস্তুবোৰক অগ্ৰাধিকাৰ দিয়া হৈছিল। স্থানীয় উপভাষাত কথা কোৱাৰ পৰা বিৰত থকা দেখা গৈছিল। এতিয়াও কোনোবাই মেক ইন ইণ্ডিয়া বুলি ক'লে কাৰোবাৰ পেটত নিগনি দৌৰিবলৈ আৰম্ভ কৰে। নৰেন্দ্ৰ মোদীয়ে লগতে কয় যে জি-২০ৰ গৌৰৱ ৰাজ্যসমূহক দিয়া হৈছে। আমাৰ উদ্দেশ্য সকলোকে লগত লৈ যোৱা। কষ্ট যাৰেই নহওক, দুখ সকলোৰে হয়। উন্নয়নৰ ফল যাতে সকলোৱে লাভ কৰে সেয়া আমাৰ দায়িত্ব। প্ৰধামমন্ত্ৰী মোদীয়ে অভিযোগ কৰে যে বৰ্তমান সময়ত দেশক বিভক্ত কৰাৰ আখ্যান ৰচনা কৰা হৈছে। তেওঁ কয়, এই দেশখন বিভক্ত কৰিবলৈ নতুন আখ্যান উদ্ভাৱন কৰা বন্ধ কৰক। ৰাজ্যসমূহে নিজৰ কাম-কাজ নিজে চলালে দেশ কেনেকৈ চলিব?

# ১৩৫ বিধায়কক লৈ দিল্লীত কৰ্ণাটক চৰকাৰৰ প্ৰতিবাদ

**নতুন দিল্লী, ৭ ফেব্ৰুৱাৰীঃ** দিল্লীৰ যন্তৰ মন্তৰত কেন্দ্ৰীয় চৰকাৰৰ কৰ হস্তান্তৰ নীতিৰ বিৰুদ্ধে আজি প্ৰতিবাদ সাব্যস্ত কৰে কৰ্ণাটক চৰকাৰে। কৰ্ণাটকৰ মুখ্যমন্ত্ৰী সিদ্ধাৰামাইয়া, উপ-মুখ্যমন্ত্ৰী ডি.কে শিৱকুমাৰৰ লগতে কৰ্ণাটকৰ শীৰ্ষ কংগ্ৰেছ নেতা তথা বিধায়কসকলে বুধবাৰে দিল্লীৰ যন্তৰ মন্তৰত কেন্দ্ৰৰ কৰ হস্তান্তৰ নীতিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰে। কৰ্ণাটক কংগ্ৰেছৰ দ্বাৰা 'চলো দিল্লী' নাম দি দিল্লীত প্ৰতিবাদ জনায়। কৰ্ণাটকৰ মুখ্যমন্ত্ৰী সিদ্ধাৰামাইয়া, উপ-মুখ্যমন্ত্ৰী শিৱকুমাৰ যন্তৰ মন্তৰসহ ১৩৫ জন কংগ্ৰেছ বিধায়ক, ২৮ জন এমএলচি, এজন লোকসভাৰ সাংসদ আৰু ৰাজ্যসভাৰ পাঁচজন সাংসদ উপস্থিত থাকে। কৰ্ণাটক কংগ্ৰেছৰ বিষয়-ববীয়া আৰু যুৱ কংগ্ৰেছৰ সদস্যসকলো কেন্দ্ৰীয় চৰকাৰৰ নীতি বিৰোধী প্ৰতিবাদত উপস্থিত থাকে। মুখ্যমন্ত্ৰী সিদ্ধাৰামাইয়াই কৰ্ণাটকক অৰ্থনৈতিক উৎপীড়ন কৰাৰ অভিযোগ উত্থাপন কৰি জনসাধাৰণকো প্ৰতিবাদত যোগদান কৰিবলৈ আহ্বান জনায়। সিদ্ধাৰামাইয়াই আৰু কয় যে কৰ আৱণ্টনত অন্যায় আৰু বৈষম্যৰ বিৰুদ্ধে এই যুঁজ কৰা হৈছে। কৰ্ণাটকৰ উপ-মুখ্যমন্ত্ৰী ডি.কে শিৱকুমাৰে কয় যে পৰিকল্পিতভাবে কৰ আদায়ত বৈষম্য কৰাৰ বিৰুদ্ধে এই প্ৰতিবাদ। এই প্ৰতিবাদ বিজেপিৰ বিৰুদ্ধে নহয়। কৰ্ণাটকৰ সকলো বিধায়কে দলীয় লাইন পাহৰি অংশগ্ৰহণ কৰা উচিত।

# চিপিআইএমলৈ ৫ লাখ টকাৰ অনুদান ডাঃ ভগৱান মিশ্ৰৰ



**ই-সংবাদ, ৰঙিয়া, ৭ ফেব্ৰুৱাৰীঃ** বিগত বিধানসভাৰ নিৰ্বাচনত মহাজোঁট বন্ধনৰ প্ৰাৰ্থী হিচাপে ৰঙিয়া বিধানসভা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰা বিশিষ্ট চিকিৎসক ডাঃ ভগৱান দেৱ মিশ্ৰই অসম ৰাজ্যিক চিপিআইএমৰ কোষলৈ ৫ লাখ টকাৰ বৰঙণি প্ৰদান কৰিছে। চিপিআইএমৰ পলিটব্যুৰ'ৰ সদস্য তথা ত্ৰিপুৰাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মাণিক সৰকাৰ আৰু উদ্ধৱ বৰ্মনৰ উপস্থিতিত ৫ লাখ টকা দলৰ কোষলৈ প্ৰদান কৰে ডাঃ মিশ্ৰই। সামান্য টকাৰে ৰঙিয়া অঞ্চলত চিকিৎসা সেৱা কৰি অহা সামাজিক আৰু ৰাজনৈতিকভাৱে সক্ৰিয় ডাঃ ভগৱানদেৱ মিশ্ৰই চিপিআইএমৰ ৰাজ্যিক সমিতিলৈ ৫ লাখ টকাৰ অনুদান দিয়াৰ লগতে দলৰ মুখপত্ৰ সাপ্তাহিক গণশক্তিলৈ নগদ ৫০ হাজাৰ টকা প্ৰদান কৰে। উল্লেখ্য যে, কেইমাহমান পূৰ্বে ডাঃ ভগৱানদেৱ মিশ্ৰৰ পত্নী অলকা দেৱীয়ে অকাল মৃত্যুক আকোৱালি লয়। অলকা দেৱী গণতান্ত্ৰিক মহিলা আন্দোলনৰ সৈতে জড়িত আছিল। অলকা দেৱীৰ নামত সঞ্চিত ধনৰাশি সামাজিক আৰু প্ৰগতিশীল কামত ব্যৱহাৰ কৰিবলৈ ডাঃ ভগৱানদেৱ মিশ্ৰৰ পৰিয়ালে সিদ্ধান্ত লয়। পৰিয়ালৰ হৈ ডাঃ মিশ্ৰই দলৰ ৰাজ্যিক কাৰ্যালয়ত নগদ ৫ লাখ টকা আগবঢ়ায়। এই ধনৰাশি দলৰ ৰাজ্যিক কাৰ্যালয়ত এটি অতিথি কক্ষ নিৰ্মাণ কৰিব বুলি জানিবলৈ দিয়ে ৰাজ্যিক সম্পাদক সুপ্ৰকাশ তালুকদাৰে। একে সময়তে দলৰ মুখপত্ৰ গণশক্তিলৈ ৫০ হাজাৰ টকা সম্পাদক ইছফাকুৰ ৰহমানৰ হাতত অৰ্পণ কৰে। চিপিআইএমৰ নেতা সুপ্ৰকাশ তালুকদাৰে ডাঃ ভগৱানদেৱ মিশ্ৰ আৰু তেওঁৰ পৰিয়াললৈ অভিনন্দন জ্ঞাপন কৰে।

# অথন্তৰ! গোলাঘাটত আছুৰ সমূহীয়া পদত্যাগ

## মন্ত্ৰী অতুল বৰাৰ সৈতে উৰুকাৰ ভোজ কাণ্ড

**ই-সংবাদ, গোলাঘাট, ৭ ফেব্ৰুৱাৰীঃ** ‘কা’ বিৰোধী আন্দোলনৰ নেতৃত্ব লৈ বিজেপি দল আৰু চৰকাৰৰ বিৰুদ্ধে টেটুফালি শ্ল’গান দিয়া সদৌ অসম ছাত্ৰ সন্থাৰ নেতাই বিজেপিত যোগদান কৰাত ৰাজ্যজুৰি চাঞ্চল্য অব্যাহত আছে৷ আছুৰ এৰি অহা নেতাই বিজেপি যোগদানৰ চাঞ্চল্য মাৰনৌযাওঁতেই পুনৰ আন এক অথন্তৰে দেখা দিছে আছুত৷ এইবাৰী মন্ত্ৰীৰ সৈতে ভোজ-ভাত খোৱা আছু কৰ্মীৰ বিৰুদ্ধে কেন্দ্ৰীয় সমিতিয়ে ব্যৱস্থা লোৱাত নেতা-কৰ্মীয়ে সমূহীয়া পদত্যাগ কৰিছে৷ গোলাঘাট জিলা আছুৰ পৰা কেইবাজনো নেতাই পদত্যাগ কৰিছে৷ কেন্দ্ৰীয় সমিতিৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰি আছুৰ নেতাই পদত্যাগ অব্যাহত ৰাখিছে৷ পূৰ্বে অপসাৰণ কৰা সভাপতি, সাধাৰণ সম্পাদক আৰু মহকুমা ছাত্ৰ সন্থা, আঞ্চলিক ছাত্ৰ সন্থাৰ নেতা-কৰ্মীয়ে পদত্যাগ কৰি কেন্দ্ৰীয় সমিতিলৈ পত্ৰ প্ৰেৰণ কৰিছে৷ গোলাঘাট জিলা আছুৰ তিনি শতাধিক নেতা-কৰ্মীয়ে আছুৰ প্ৰাথমিক সদস্য পদৰ পৰা পদত্যাগ কৰা বুলি জানিব পৰা গৈছে৷ আছু নেতা গীতাৰ্থ শইকীয়া আৰু বিশ্বজিৎ গগৈয়ে সংবাদ মাধ্যমৰ মুখামুখি হৈ মাঘ বিহুত কি কাৰণত মন্ত্ৰীৰ সৈতে ভোজ-ভাত খাইছিল সেই কথাৰ বৰ্ণনা দিছে৷ পৰম্পৰা ৰক্ষা কৰি মাঘ বিহুৰ বিহু উৰুকাত জিলা সন্থাই ভোজ-ভাতৰ আয়োজন কৰা বুলি উল্লেখ কৰি দুয়ো নেতাই কয় যে ৰাজনৈতিক ব্যক্তিক আমন্ত্ৰণ কৰাৰ কথা জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা, কেন্দ্ৰীয় উপ-সভাপতিকো জনোৱা হৈছিল৷ যদি ভুল কৰিছিল তেন্তে কেৱল জিলা ছাত্ৰ সন্থাৰ সভাপতি আৰু সাধাৰণ সম্পাদকক কিয় দায়িত্বৰ পৰা অপসাৰণ কৰা হ’ল বুলি প্ৰশ্ন উত্থাপন কৰে৷ যাৰ বাবে কেন্দ্ৰীয় সমিতিৰ বিৰুদ্ধে ক্ষোভ উজাৰি জিলা ছাত্ৰ সন্থাৰ নেতা-কৰ্মীৰ লগতে মহকুমা আৰু কেইবাখনো আঞ্চলিক ছাত্ৰ সন্থাৰ কৰ্মীয়ে সংগঠন ত্যাগ কৰে৷ উল্লেখ্য যে, গীতাৰ্থ শইকীয়া আৰু বিশ্বজিৎ গগৈ আছুৰ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সভাপতি আৰু সম্পাদক আছিল৷ কিন্তু উৰুকাৰ নিশাৰ ভোজ-ভাতলৈ মন্ত্ৰী তথা অগপৰ সভাপতি অতুল বৰাক আমন্ত্ৰণ কৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়৷ যাৰ ফলত গীতাৰ্থ শইকীয়া আৰু সাধাৰণ সম্পাদক বিশ্বজিৎ গগৈক পদৰ পৰা অপসাৰণ কৰিছিল কেন্দ্ৰীয় সমিতিয়ে৷ ভোজ-ভাতলৈ ৰাজনৈতিক ব্যক্তিক আমন্ত্ৰণ কৰাত এবছৰৰ বাবে জিলা ছাত্ৰ সন্থাৰ সভাপতি আৰু সাধাৰণ সম্পাদকক দায়িত্বৰ পৰা অপসাৰণ কৰে কেন্দ্ৰীয় সমিতিয়ে৷ আজি গীতাৰ্থ শইকীয়া আৰু বিশ্বজিৎ গগৈয়ে কয় যে ৰাজনৈতিক ব্যক্তিক আমন্ত্ৰণ জনোৱাৰ কথা জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা তথা কেন্দ্ৰীয় উপ-সভাপতিক জনোৱা হৈছিল৷ কেন্দ্ৰীয় উপ-সভাপতি তথা জিলাৰ উপদেষ্টায়ো ৰাজনৈতিক দলৰ ব্যক্তিক অনুষ্ঠানলৈ আমন্ত্ৰণ জনাইছিল৷ কেৱল জিলা ছাত্ৰ সন্থাৰ সভাপতি আৰু সাধাৰণ সম্পাদককে কিয় দায়িত্বৰ পৰা অপসাৰণ কৰা হ’ল বুলি প্ৰশ্ন উত্থাপন কৰে গীতাৰ্থ শইকীয়া আৰু বিশ্বজিৎ গগৈয়ে৷

# ৰাহুল গান্ধীক মানসিকভাৱে অস্থিৰ ব্যক্তি আখ্যা হিমন্ত বিশ্ব শৰ্মাৰ

**ই-সংবাদ, লখিমপুৰ, ৭ ফেব্ৰুৱাৰীঃ** লোকসভা নিৰ্বাচনৰ পূৰ্বে ভাৰত জোড়ো ন্যায় যাত্ৰাত ব্যস্ত থকা কংগ্ৰেছে নেতা ৰাহুল গান্ধীক পুনৰ আক্ৰমণ কৰিছে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই৷ সাংসদ ৰাহুল গান্ধীক মানসিকভাৱে অস্থিৰ বুলি আক্ৰমণ কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই৷ আজি মধ্য অসম ভ্ৰমণৰ সময়ত মুখ্যমন্ত্ৰীয়ে সাংবাদিকক কয় যে সকলোৱে জানে যে ৰাহুল গান্ধী মানসিকভাৱে অস্থিৰ আৰু আশাতীতভাৱে চিন্তা কৰিব নোৱাৰে৷ যদি আপুনি প্ৰতিদিনে ৰাহুল গান্ধীক প্ৰত্যক্ষ কৰে তেন্তে আপুনি বহু ভাইৰেল ভিডিঅ’ বনাব পাৰিব৷ সেয়েহে মানসিকভাৱে সন্তুলিত ব্যক্তি নহয়। ৰাহুল গান্ধীয়ে এটা কুকুৰ পোৱালীক বিস্কুট আগবঢ়োৱাৰ ভিডিঅ’ ভাইৰেল হোৱাৰ পাছতে হিমন্ত বিশ্ব শৰ্মাই পূৰ্বৰ কুকুৰৰ বিস্কুট খাবলৈ দিয়াৰ প্ৰসংগ টানি আনি গান্ধী পৰিয়ালক আক্ৰমণ কৰে৷ কুকুৰক দিয়া বিস্কুটটো এজন সমৰ্থকক প্ৰদান কৰা বুলি সামাজিক মাধ্যমত দাবী কৰা হৈছে৷ কিন্তু ৰাহুল গান্ধীয়ে এই দাবীক নস্যাৎ কৰি অস্বীকাৰ কৰে৷ ভাৰত জোড়ো ন্যায় যাত্ৰাৰ সময়ৰ এই ভিডিঅ’টো সামাজিক মাধ্যমত প্ৰচাৰিত হোৱাৰ বিতৰ্কৰ সৃষ্টি হৈছিল। ৰাহুল গান্ধীয়ে সমৰ্থকসকলক অসন্মান কৰাৰ অভিযোগ তুলিছিল বিজেপিয়ে৷

শেষ পৃষ্ঠা

## বুমৰাহ প্ৰথম স্থানত



**আবু ধাবি, ৭ ফেব্ৰুৱাৰীঃ** টেষ্ট ৰেংকিঙৰ শীৰ্ষ বলাৰৰ আসন দখল কৰা প্ৰথম ভাৰতীয় পেচাৰৰ সন্মান অৰ্জন কৰিছে যশপ্ৰীত বুমৰাহে। ইংলেণ্ডৰ বিৰুদ্ধে দ্বিতীয় টেষ্টত ৯১ ৰানত নটা উইকেট দখল কৰাৰ সুবাদতে তিনিটা ঢাপ আগুৱাই শীৰ্ষস্থান দখল কৰে তেওঁ। তেওঁ দলীয় সতীৰ্থ ৰবীচন্দ্ৰন অশ্বিনক আতৰাই ৰেংকিঙৰ প্ৰথম স্থান লাভ কৰে। বুমৰাহৰ পূৰ্বে কোনো ভাৰতীয় পেচ বলাৰে টেষ্ট বলাৰৰ শীৰ্ষস্থান দখল কৰা নাছিল। তেওঁৰ পূৰ্বে কপিল দেৱে ১৯৭৯-৮০ চনত টেষ্ট বলাৰৰ দ্বিতীয় স্থান লাভ কৰিছিল। ইয়াৰ পূৰ্বে ভাৰতীয় পেচ বলাৰে লাভ কৰা সৰ্বোচ্চ ৰেংকিং আছিল সেইটো। বুমৰাহে ইয়াৰ পূৰ্বে ৰেংকিঙত তৃতীয় স্থান দখল কৰিছিল। আনহাতে জাহিৰ খানেও ২০১০ চনত টেষ্ট বলাৰৰ তৃতীয় স্থান দখল কৰিছিল। আজি প্ৰকাশ কৰা তালিকাত ভাৰতৰ ৰবীচন্দ্ৰন অশ্বিন তৃতীয় আৰু ৰবীন্দ্ৰ জাদেজা নৱম স্থানত আছে।

## জিম্বাবৱে ভ্ৰমণলৈ ভাৰত

**হাৰাৰে, ৬ ফেব্ৰুৱাৰীঃ** ৱেষ্ট ইণ্ডিজ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰত অনুষ্ঠিত হ'বলগীয়া টি-২০ বিশ্বকাপৰ ঠিক পিছতে টিম ইণ্ডিয়াই জিম্বাবৱে ভ্ৰমণ কৰিব। তাত ভাৰতীয় ক্ৰিকেট দলে পাঁচখন টি-২০ মেছত ভাগ ল'ব। ছিৰিজটোৰ আটাইকেইখন মেছে হাৰাৰেত খেলা হ'ব। শৃংখলাটো ছয় জুলাইত আৰম্ভ হ'ব আৰু সামৰণি পৰিব ১৪ জুলাইত। তৃতীয়খন খেল নৈশ-লোকত খেলা হ'ব যদিও আনকেইখন দিনৰ ভাগত খেলিব। খেলসমূহ ৬, ৭, ১০, ১৩ আৰু ১৪ জুলাইত অনুষ্ঠিত হ'ব।



আমেৰিকাৰ লছ এঞ্জেলছত চীনা শিল্পীৰ দলৰ পৰম্পৰাগত নৃত্য প্ৰদৰ্শন

# বিস্ফোৰণত মৃত্যু ২৫ জনৰ

# নিৰ্বাচনৰ পূৰ্বে পাকিস্তানত ব্যাপক হিংসাত্মক ঘটনা

**অনলাইন ফিচাৰ্ছ, ৭ ফেব্ৰুৱাৰী:** ইছলামাবাদ, ৭ ফেব্ৰুৱাৰীঃ সাধাৰণ নিৰ্বাচনৰ পূৰ্বে ব্যাপক হিংসাই আতংকৰ সৃষ্টি কৰিছে পাকিস্তানত। ৮ জানুৱাৰীত অনুষ্ঠিত হ'বলগীয়া দেশখনৰ সাধাৰণ নিৰ্বাচনৰ ঠিক পূৰ্বে বুধবাৰে সংঘটিত হোৱা দুটাকৈ বিস্ফোৰণত ২৫ জন লোকৰ মৃত্যু ঘটাৰ বিপৰীতে আন বহু লোক আহত হয়। পাকিস্তানৰ সংবাদ সংস্থাৰ মতে, বেলুচিস্তানৰ পিছিন জিলাৰ খানোজাই অঞ্চলত অৱস্থিত নিৰ্দলীয় পাৰ্থী আছফান্দিয়াৰ খান কাকাৰৰ কাৰ্যালয়ৰ বাহিৰত সংঘটিত হয় প্ৰথমটো বিস্ফোৰণৰ ঘটনা। এই বিস্ফোৰণত ১৫ জন লোকৰ মৃত্যু ঘটে। ইফালে এই বিস্ফোৰণটোৰ কিছু সময় পিছতে প্ৰায় ১৫০ কিলোমিটাৰ নিলগৰ কিল্লা ছৈফ উল্লাহ জিলাত সংঘটিত দ্বিতীয়টো বিস্ফোৰণৰ ঘটনাত ৮ জন লোকৰ মৃত্যু ঘটাৰ বিপৰীতে ডজনৰো অধিক লোক আহত হয়। আৰক্ষীয়ে জনোৱা মতে, পিছিন জিলাৰ নিৰ্দলীয় প্ৰাথীগৰাকীৰ কাৰ্যালয়ৰ বাহিৰত এটা বেগৰ ভিতৰত ৰখা হৈছিল টাইম বোমটো। অৱশ্যে এতিয়ালৈকে কোনো সংগঠনে এই বিস্ফোৰণ কাণ্ড স্বীকাৰ কৰা নাই। উল্লেখ্য যে, ৮ জানুৱাৰীত অনুষ্ঠিত হ'ব পাকিস্তানৰ সাধাৰণ নিৰ্বাচন। এই গুৰুত্বপূৰ্ণ নিৰ্বাচনৰ ঠিক পূৰ্বে সংঘটিত বিস্ফোৰণ কাণ্ডই তীব্ৰ আতংকৰ সৃষ্টি কৰিছে।

newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান